# আত্মনির্ভৰ ভাৰত

## খাদ্য উদ্যোগত ক্ষুদ্ৰ প্ৰতিষ্ঠানসমূহৰ বিকাশৰ পথ মুকলি কৰি







## ভ'কেল ফৰ ল'কেল

**প্ৰধানমন্ত্ৰীৰ দ্বাৰা ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ আঁচনিৰ আনুষ্ঠানিকৰণ (PM FME Scheme)**

খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়
ভাৰত চৰকাৰ

**ক্ষুদ্ৰ খাদ্য উদ্যোক্তাসকল/কৃষি উৎপাদনকাৰী সংস্থা/আত্ম-সহায়ক গোটযসমবায় সমিতি আদিৰ দৰে ২ লাখ ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগক ১০,০০০ কোটি টকাৰ আঁচনিৰ দ্বাৰা আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনত লাভান্বিত কৰাৰ এক ঐতিহাসিক পদক্ষেপ।**



"১৩০ কোটি ভাৰতীয় নাগৰিকৰ সংকল্প হৈছে ভাৰতক আত্ম-নিৰ্ভৰ কৰা। এই পথৰ ভৱিষ্যত হ'ল স্থানীয়-স্থানীয় উৎপাদন, স্থানীয় বজাৰ, স্থানীয় যোগান শৃংখলা। স্থানীয়তা কেৱল মাত্ৰ এক প্ৰয়োজনেই নহয়, কিন্তু এক দায়িত্বও।"

**নৰেন্দ্ৰ মোদী**, প্ৰধানমন্ত্ৰী



**ৰামেশ্বৰ তেলি**
ৰাজ্যিক মন্ত্ৰী, খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ

## ১. পটভুমি

১.১ প্ৰায় ২৫ লাখ গোট সম্পন্ন অসংগঠিত খাদ্য প্ৰক্ৰিয়াকৰণ খণ্ডই খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগত ৭৪% নিয়োজনৰ সৃষ্টি কৰি অৰিহণা যোগাইছে। এই গোটসমূহৰ প্ৰায় ৬৬ শতাংশ গাওঁ অঞ্চলত অৱস্থিত আৰু এইবোৰৰ ৮০ শতাংশই পৰিয়াল ভিত্তিক উদ্যোগ যিয়ে গ্ৰামীণ পৰিয়ালসমূহৰ জীৱিকা অৰ্জনৰ পথ মুকলি কৰাৰ লগতে চহৰ অঞ্চললৈ তেওঁলোকৰ প্ৰব্ৰজন হ্ৰাস কৰে। এই গোটসমূহৰ অধিকাংশ ক্ষুদ্ৰ উদ্যোগৰ শাৰীত পৰে।



১.২ এই গোটসমূহে বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ ফলত তেওঁলোকৰ কৰ্মক্ষমতা আৰু বিকাশ সীমিত হৈ পৰে। এই প্ৰত্যাহ্বানসমূহ হৈছে- আধুনিক প্ৰযুক্তি আৰু সঁজুলিৰ অভাৱ, প্ৰশিক্ষণৰ অভাৱ, আনুষ্ঠানিক ঋণৰ অভাৱ, সামগ্ৰীৰ মানদণ্ড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰাথমিক জ্ঞানৰ অভাৱ আৰু ব্ৰেণ্ডিং আৰু বিপণনৰ অভাৱ। সেইগতিকে, অসংগঠিত খাদ্য প্ৰক্ৰিয়াকৰণ খণ্ডই ইয়াৰ বৃহৎ সাম্ভাব্যতাৰ সত্বেও মূল্যবৰ্ধন আৰু উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট কম অৰিহণা যোগাই আহিছে।

**২৫ লাখ**
অসংগঠীত
খাদ্য প্ৰক্ৰিয়াকৰণ
গোটে

খাদ্য প্ৰক্ৰিয়াকৰণ
খণ্ডত
**৭৪%**
নিয়োগ হয়

## ২. উদ্দেশ্য

২.১ অসংগঠিত ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ

উদ্যোগসমূহৰ অৰিহণা আৰু এইবোৰৰ কৰ্মক্ষমতাত বাধা প্ৰদান কৰা প্ৰত্যাহ্বানসমূহৰ প্ৰতি লক্ষ্য ৰাখি, খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়ে "প্ৰধানমন্ত্ৰীৰ দ্বাৰা ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ আঁচনিৰ আনুষ্ঠানিকৰণ (PM FME Scheme)"ৰ এক সম্পূৰ্ণ সহযোগিতামূলক সেৱাৰ মুকলি কৰিছে। এই আঁচনিৰ উদ্দেশ্যসমূহ এনেধৰণৰ ঃ

i) কাৰিকৰীজ্ঞান, কৌশল প্ৰশিক্ষণ আৰু সম্পূৰ্ণ সমৰ্থনৰ দ্বাৰা উদ্যোক্তাসকলৰ ক্ষমতা নিৰ্মাণ;

ii) বৰ্তমানে বিদ্যমান উদ্যোক্তাসকলৰ কাৰিকৰী উন্নয়নৰ হেতু ঋণ লাভ কৰিবৰ বাবে বৰ্দ্ধিত উপলভ্যতা;

iii) কৃষি উৎপাদনকাৰী সংস্থা, আত্ম-সহায়ক গোট, উৎপাদক সমবায় আৰু সমবায় সমিতিসমূহৰ লগতে তেওঁলোকৰ সমগ্ৰ মূল্য শৃংখলাক সহায় আগবঢ়াই ক্ষুদ্ৰ উদ্যোগসমূহক সামান্য সেৱাসমূহ লাভ কৰিবলৈ সক্ষম কৰি তোলা;

iv) বৰ্তমানে বিদ্যমান উদ্যোগসমূহৰ নিয়মবদ্ধ ফ্ৰেমৱৰ্কৰ ভিতৰত পঞ্জীয়ন কৰি আৰু নিয়ম মানি আনুষ্ঠানিক ফ্ৰেমৱৰ্কলৈ হোৱা ৰূপান্তৰণত সহায় কৰা;


v) ব্ৰেণ্ডিং আৰু বিপণনৰ শক্তিশালীকৰণৰ দ্বাৰা সংগঠিত যোগান শৃংখলাৰ সৈতে একত্ৰীকৰণ।

## ৩. ৰাজ্য/ কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্ভুক্তিকৰণ আৰু ধন যোগান প্ৰক্ৰিয়া

৩.১ ১০,০০০ কোটি টকাৰ মুঠ ব্যয়েৰে ২০২০-২১ৰ পৰা পৰৱৰ্তী ৫ বছৰলৈ, অৰ্থাৎ ২০২৪-২৫ লৈ ২,০০,০০০ উদ্যোক্তাক আৰ্থিক সহায় আগবঢ়োৱা হৈছে এক সৰ্বভাৰতীয় পৰ্যায়ৰ কেন্দ্ৰীয় পৃষ্ঠপোষকতা সমৃদ্ধ আঁচনি। এই আঁচনিৰ ব্যয়সমূহ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত ৬০:৪০ অনুপাতত, উত্তৰ-পূৱীয় আৰু হিমালয়ৰ ৰাজ্যসমূহৰ মাজত ৯০:১০ অনুপাতত, বিধানসভাযুক্ত কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মাজত ৬০:৪০ অনুপাতত আৰু আন কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বাবে ১০০% অনুপাতত বিতৰণ কৰা হ'ব।

৩.২ কেন্দ্ৰ চৰকাৰ বা ৰাজ্য চৰকাৰ যাৰ দ্বাৰাই ব্যয় নহওঁক কিয়, ২০২০-২১ বৰ্ষৰ ব্যয়সমূহৰ ১০০% কেন্দ্ৰ চৰকাৰে বহন কৰিব। প্ৰথম বৰ্ষত হোৱা ব্যয়সমূহ পুঁজিত উল্লেখ কৰা অনুপাত অনুসৰি পৰৱৰ্তী চাৰি বছৰত ভালদৰে মিলাই লোৱা হ'ব।

কেন্দ্ৰ ৰাজ্য আৰু চৰকাৰসমূহৰ মাজত পুঁজি বিতৰণ কৰা প্ৰক্ৰিয়া




৩.৩ অনুমোদিত প্ৰকল্প ৰূপায়ণ পৰিকল্পনাৰ ভিত্তিত এই আঁচনিৰ পুঁজিসমূহ প্ৰদান কৰা হ'ব|

## ৪. এক জিলা এক সামগ্ৰী পদক্ষেপ

৪.১ ইনপুট আহৰণৰ পৰা হোৱা লাভ সংগ্ৰহ, সাধাৰণ সেৱাসমূহ উপলব্ধ কৰা আৰু সামগ্ৰীৰ বিপণনৰ বাবে, এই আঁচনিত এক জিলা এক সামগ্ৰী পদক্ষেপ গ্ৰহণ কৰা হৈছে। এক জিলা এক সামগ্ৰী পদক্ষেপে মূল্য শৃংখলা উন্নয়ন আৰু সৰ্মথনকাৰী আন্তঃগাঁথনিসমূহ শংখলাবদ্ধ কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ফ্ৰেমৱৰ্ক প্ৰদান কৰিব। একোখন জিলাত এটা সামগ্ৰীৰ বাবে একাধিক পুঞ্জ ও থাকিব পাৰে। তেনে কোনো এক পুঞ্জ এখন জিলাৰ সীমা পাৰ হৈ আন এখন জিলাতো বিস্তৃত হৈ থাকিব পাৰে। ৰাজ্যসমূহে বৰ্তমানে উপলভ্য সামগ্ৰীৰ পৰিমাণ আৰু কেঁচামালৰ উপলব্ধতাৰ ওপৰত ভিত্তি কৰি উৎপাদন কৰিবলগীয়া খাদ্য সামগ্ৰীবিধ চিনাক্ত কৰিব। ODOP সামগ্ৰীবিধ এক নষ্ট হ'ব পৰা কৃষিজাত উৎপাদন, শস্যভিত্তিক উৎপাদন বা কোনো এখন জিলা বা নিকটৱৰ্তী অঞ্চলত বিস্তৃত ৰূপত উৎপাদিত এক সামগ্ৰী হ'ব পাৰে। তেনে সামগ্ৰীৰ বিস্তৃত তালিকাত আম, আলু, লিচু, বিলাহী, চাগুদানা, কিন্নু, ভুজিয়া, পেঠা, পাপৰ, আচাৰ, গধুৰ দানাযুক্ত সামগ্ৰী, মাছ, হাঁহ-কুকুৰা, মাংসৰ লগতে পশুখাদ্য আদিও অন্তৰ্ভুক্ত। বৰ্তমানে বিদ্যমান ব্যক্তিগত ক্ষুদ্ৰ গোটসমূহৰ প্ৰতি লক্ষ্য ৰাখি, ODOPৰ প্ৰচেষ্টাৰ অধীনত উৎপাদিত সামগ্ৰীক অগ্ৰাধিকাৰ দিয়া হ'ব। আনকি আন সামগ্ৰী উৎপাদন কৰা গোটসমূহকো সহায় কৰা হ'ব। গোটসমূহৰ ক্ষেত্ৰত, প্ৰধানতঃ যিবোৰ গোটে ODOP পদক্ষেপৰ অন্তৰ্গত সামগ্ৰীসমূহ প্ৰক্ৰিয়াকৰণৰ সৈতে জড়িত, সেইবোৰক সহায় কৰা হ'ব। তেনে জিলাসমূহত থকা আন সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণ কৰা গোটসমূহৰ ভিতৰত কেৱল সেইবোৰকহে সহায় আগবঢ়োৱা হ'ব যিবোৰে ইতিমধ্যে উপযুক্ত কাৰিকৰী, অৰ্থনৈতিক আৰু উদ্যমিতা শক্তিৰে প্ৰক্ৰিয়াকৰণ কৰি আছে। ODOP প্ৰচেষ্টাৰ অধীনত উৎপাদিত সামগ্ৰীৰ সমূহীয়া আন্তঃগাঁথনি আৰু ব্ৰেণ্ডিং আৰু বিপণনৰ বাবেও সহযোগিতা আগবঢ়োৱা হ'ব। ৰাজ্যিক বা আঞ্চলিক স্তৰত ব্ৰেণ্ডিং আৰু বিপণনৰ বাবে সহায় আগবঢ়োৱাৰ ক্ষেত্ৰত, ODOPৰ প্ৰচেষ্টাৰ অধীনত চিহ্নিত নোহোৱা জিলাসমূহত উৎপাদিত একেবোৰ সামগ্ৰীকো অন্তৰ্ভুক্ত কৰা হ'ব|






৪.২ এই আঁচনিয়ে পিছপৰা আৰু উন্নত ঠাইৰ মাজৰ সম্পৰ্কক কটকটীয়া কৰাত সহায়, সামান্য প্ৰবন্ধনসমূহৰ ব্যৱস্থা, ইনকিউবেচন চেন্টাৰ, প্ৰশিক্ষণ, গৱেষণা আৰু বিকাশ, বিপণন আৰু ব্ৰেণ্ডিং আদিকো সমৰ্থন কৰিব, যি আৰম্ভণিতে কেৱল ODOP সামগ্ৰীসমূহৰ বাবে উপলব্ধ হ'ব। পৰৱৰ্তী সময়ত, এই পদক্ষেপে চৰকাৰৰ বৰ্তমানে অৱস্থিত প্ৰচাৰমূলক প্ৰচেষ্টা যেনে কৃষি ৰপ্তানি নীতিৰ অধীনত কৃষি শস্য সমষ্টিৰ বিকাশ, কৃষি মন্ত্ৰালয় আৰু গ্ৰামীন উন্নয়ন মন্ত্ৰালয়ৰ ৰাষ্ট্ৰীয় নগৰ অভিযানৰ দ্বাৰা পুঞ্জ পৰ্যায়ৰ প্ৰচেষ্টাসমূহকো পূৰণ আৰু লাভান্বিত কৰিব।

## ৫. খাদ্য প্ৰক্ৰিয়াকৰণ গোটসমূহলৈ সহায়

খাদ্য প্ৰক্ৰিয়াকৰণ গোটসমূহলৈ নিম্নোক্ত সুবিধাসমূহ আগবঢ়োৱা হ'ব ঃ

i) সৰ্বোচ্চ ১০ লাখ টকাৰ অনুদানেৰে বৰ্তমানে বিদ্যমান অসংগঠিত খাদ্য প্ৰক্ৰিয়াকৰণ গোটৰ উন্নয়নৰ বাবে মুঠ প্ৰকল্প ব্যয়ৰ ৩৫% ক্ৰেডিট লিংকড অনুদান;

ii) আত্ম-সহায়ক গোট/কৃষি উৎপাদনকাৰী সংস্থা/সমবায় আদিক পুঁজি ব্যয়ৰ বাবে প্ৰকল্প ব্যয়ৰ ৩৫% ক্ৰেডিট লিংকড অনুদান;

iii) খাদ্য প্ৰক্ৰিয়াকৰণত জড়িত হৈ থকা গোটসমূহৰ প্ৰতিগৰাকী সদস্যক কাৰ্যকৰী মূলধনৰূপে ৪০,০০০ টকাৰ প্ৰাৰম্ভিক মুলধন;

iv) সামান্য আন্তঃগাঁথনিৰ বাবে নিৰ্দ্ধাৰিত সৰ্বোচ্চ সীমা অনুসৰি প্ৰকল্প ব্যয়ৰ ৩৫% ক্ৰেডিট লিংকড অনুদান

v) নিৰ্দ্ধাৰিত সৰ্বোচ্চ সীমা অনুসৰি কৰি বিপণন আৰু ব্ৰেণ্ডিংৰ বাবে মুঠ ব্যয়ৰ ৫০% পৰ্যন্ত সাহায্য।



## ৬. প্ৰক্ৰিয়াকৰণ গোটসমূহৰ উন্নয়ন সাধন

৬.১ ব্যক্তিগত শাখা ঃ ব্যক্তিগত ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ গোটসমূহক ১০ লাখ টকা পৰ্যন্ত সম্প্ৰসাৰণ/কাৰিকৰী উন্নয়ন ব্যয় আদিৰ বাবে যোগ্য বিবেচিত প্ৰকল্প ব্যয়ৰ ৩৫% ক্ৰেডিট লিংকড মূলধন সাহায্য আগবঢ়োৱা হ'ব। হিতাধিকাৰীৰ সৰ্বনিম্ন অৰিহণা ১০% আৰু বাকী অংশ বেংকৰ পৰা লোৱা ঋণ হ'ব লাগিব।

### ৬.১.১ যোগ্যতাৰ মাপকাঠি

i) উদ্যোগৰ মালিকীস্বত্বৰ সৈতে ব্যক্তিগত/অংশীদাৰী ব্যৱসায়;

ii) জৰীপ বা সমল ব্যক্তিৰ দ্বাৰা চিনাক্ত হোৱা, বৰ্তমানে বিদ্যমান ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ গোট;

iii) অবেদনকাৰীজন ১৮ বছৰৰ উৰ্দ্ধৰ হ'ব লাগে আৰু অন্ততঃ অষ্টম শ্ৰেণী উৰ্ত্তীণ প্ৰমাণপত্ৰ থাকিব লাগে;

iv) এটা পৰিয়ালৰ কেৱল এজন ব্যক্তিহে আৰ্থিক সাহায্য পাবৰ যোগ্য। এই ক্ষেত্ৰত, পৰিয়াল মানে ব্যক্তিগৰাকী, পত্নী আৰু সন্তানক বুজোৱা হয়।

### ৬.১.২ উন্নয়নৰ বাবে আবেদন কৰাৰ প্ৰক্ৰিয়া

৬.১.২.১ এই আঁচনিৰ অধীনত সুবিধা লাভ কৰিবলৈ আগ্ৰহী গোটসমূহৰ আবেদনসমূহ জিলা স্তৰত এক ধাৰাবাহিক ভিত্তিত আহ্বান কৰা হ'ব। বৰ্তমানে বিদ্যমান খাদ্য প্ৰক্ৰিয়াকৰণ গোটসমূহে ই আঁচনিৰ অধীনত সুবিধা লাভ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে এফএমই প'ৰ্টেলত আবেদন দাখিল কৰিব পাৰে। উপযুক্ত মূল্যায়নৰ পিছত বেংকসমূহলৈ ঋণৰ প্ৰস্তাৱ আৰু পৰামৰ্শ প্ৰদান কৰা হ'ব। বেংকসমূহলৈ পৰামৰ্শ প্ৰদান কৰাৰ অৰ্থে ৰাজ্যসমূহে আবেদনকাৰীসকলৰ মনোনয়নৰ স্তৰ নিৰ্ণয় কৰিব।

### ৬.১.৩. অনুদানৰ বাবে বেংকৰ সৈতে সম্পন্ন কৰিবলগীয়া প্ৰক্ৰিয়াসমূহ

৬.১.৩.১ ৰাষ্ট্ৰীয় পৰ্যায়ত, এটা ন'ডাল বেংকক আন বেংকসমূহলৈ সাহায্য প্ৰদান কৰিবৰ বাবে দায়িত্ব প্ৰদান কৰা হয় আৰু হিতাধিকাৰীক ঋণ প্ৰদান কৰা বেংকসমূহৰ সৈতে যোগাযোগ কৰা। ঋণ প্ৰদান কৰা বেংকটোৱে হিতাধিকাৰীৰ নামত এটাকৈ বেংক একাউন্ট খুলিব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ দ্বাৰা প্ৰদান কৰা অনুদান ৬০:৪০ অনুপাতত হিতাধিকাৰীৰ বেংক একাউন্টত জমা হয়। যদি শেষৰটো কিস্তি








প্ৰদান কৰাৰ তিনি বছৰৰ পিছতো হিতাধিকাৰীয়ে নিয়মিত ঋণপত ঋণ পৰিশোধ কৰি আছে আৰু উদ্যোগটো ভালদৰে পৰিচালন হৈ আছে, তেন্তে এই ধনৰাশি হিতাধিকাৰীৰ বেংক একাউন্টত সংযোজিত কৰা হ'ব। গোট আৰু সামান্য আন্তঃগাঁথনিৰ বাবেও একে নীতি মানি চলি তেওঁলোকৰ বেংক একাউন্টত অনুদান মুকলি কৰা হ'ব।

৬.২ **গোটৰ শাখা ঃ** এই আঁচনিয়ে কৃষি উৎপাদনকাৰী সংস্থা/আত্ম-সহায়ক গোট/উৎপাদনকাৰী সমবায় আৰু এইবোৰৰ মূল্য শৃংখলা আদিক পুঞ্জ পৰ্যায়ত সহায় আগবঢ়াব। আত্ম-সহায়ক গোট/কৃষি উৎপাদনকাৰী সংস্থা/উৎপাদনকাৰী সমবায় আদিক নিম্নলিখিত সহায়সমূহ প্ৰদান কৰা হ'ব ঃ

i) মূলধন বিনিয়োগৰ বাবে নিৰ্দ্ধাৰিত সৰ্বোচ্চ সীমা অনুসৰি ৩৫% ক্ৰেডিট লিংকড মূলধন সাহায্য;

ii) প্ৰশিক্ষণত সহায়;

iii) ODOP সামগ্ৰীসমূহৰ বিপণন আৰু ব্ৰেণ্ডিং সহায় কৰি এক ব্ৰেণ্ড নিৰ্মাণ।

**৬.২.১ যোগ্যতাৰ মাপকাঠি**

i) গোটটো ODOP সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণত বিগত তিনি বছৰ ধৰি জড়িত হৈ থাকিব লাগিব;

ii) কৃষি উৎপাদনকাৰী সংস্থা/সমবায় আদিৰ ক্ষেত্ৰত গেটসমূহৰ অন্ততঃ ১ কোটি টকাৰ ব্যৱসায় থাকিব লাগিব আৰু প্ৰস্তাৱিত প্ৰকল্পটোৰ মূল্য বৰ্তমানৰ ব্যৱসায় মূল্যতকৈ বেছি হ'ব নোৱাৰিব;

iii) আত্ম-সহায়ক গোট/সমবায়/কৃষি উৎপাদনকাৰী সংস্থাটোৰ পৰ্যাপ্ত আভ্যন্তৰীণ সমল থাকিব লাগিব যাতে ই কাৰ্যকৰী মূলধনৰ বাবে প্ৰকল্প ব্যয় আৰু মাৰ্জিন ধনৰ ১০% বহন কৰিব পাৰে।

**৬.৩ আত্ম-সহায়ক গোটলৈ প্ৰাৰম্ভিক মূলধন ঃ**

এই আঁচনিয়ে খাদ্য প্ৰক্ৰিয়াকৰণৰ সৈতে জড়িত থকা আত্ম-সহায়ক গোটৰ প্ৰতিগৰাকী সদস্যলৈ ক্ষুদ্ৰ সঁজুলি ক্ৰয় কৰিবৰ বাবে কাৰ্যকৰী মূলধনৰূপে ৪০,০০০ টকাৰ প্ৰাৰম্ভিক মূলধন প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। অনুদানৰূপে আগবঢ়োৱা প্ৰাৰম্ভিক মূলধন আত্ম-সহায়ক গোটসমূহক ফেডাৰেচন পৰ্যায়ত আগবঢ়োৱা হ'ব যি পৰৱৰ্তী পৰ্যায়ত আত্ম-সহায়ক গোটসমূহে ঋণৰ ৰূপত সদস্যসকলক প্ৰদান কৰিব।

**৬.৩.২ যোগ্যতাৰ মাপকাঠি**

৬.৩.২.১ প্ৰাৰম্ভিক মূলধন লাভ কৰিবৰ বাবে খাদ্য প্ৰক্ৰিয়াকৰণৰ সৈতে জড়িত থকা আত্ম-সহায়ক গোটসমূহকহে যোগ্য বিবেচিত কৰা হ'ব। আত্ম-সহায়ক গোটৰ সদস্যসকলে এই ধন কাৰ্যকৰী মূলধনৰূপে গ্ৰহণ কৰি ক্ষুদ্ৰ সঁজুলি ক্ৰয় কৰিব বুলি আত্ম-সহায়ক গোট ফেডাৰেচনক কথা দিব লাগিব।

## ৭. সামান্য আন্তঃগাঁথনিৰ গঠন

৭.১ কৃষি উৎপাদনকাৰী সংস্থা/ আত্ম-সহায়ক গোট/ উৎপাদনকাৰী সমবায়/ ৰাজ্যিক সংস্থা বা বেচৰকাৰী উদ্যোগ আদিক সামান্য আন্তঃগাঁথনিৰ গঠন কৰাৰ বাবে সহায় কৰা হ'ব য'ত সমূহীয়া প্ৰক্ৰিয়াকৰণ প্ৰবন্ধন, ইনকিউবেচন চেন্টাৰ, পৰীক্ষাগাৰ, গুদামঘৰ, শীতলঘৰ আদিও অন্তৰ্ভুৰ্গত হৈ থাকিব। এই শাখাৰ অধীনত কোনো এক প্ৰকল্পৰ যোগ্যতা কৃষকসকলৰ আৰু উদ্যোগৰ সুবিধা, সম্ভৱপৰতাৰ অন্তৰ, বেচৰকাৰী বিনিয়োগৰ অভাৱ, মূল্য শৃংখলাৰ জটিলতা আদিৰ ওপৰত ভিত্তি কৰি নিৰ্দ্ধাৰণ কৰা হ'ব। মূলধন বিনিয়োগৰ বাবে নিৰ্দ্ধাৰিত সৰ্বোচ্চ সীমা অনুসৰি ৩৫% ক্ৰেডিট লিংকড মূলধন সাহায্য উপলব্ধ হ'ব।

## ৮. ব্ৰেণ্ডিং আৰু বিপণনত সহায়

৮.১ কৃষি উৎপাদনকাৰী সংস্থা/আত্ম-সহায়ক গোট/সমবায়ক ব্ৰেণ্ডিং আৰু বিপণনত বা এই আঁচনিৰ অধীনৰ ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণৰ গুণাগুণ অটুট ৰখাৰ বাবে সহায় আগবঢ়োৱা হ'ব। গ্ৰাহকক খুচৰা দৰত বিক্ৰী কৰিবৰ বাবে সামান্য পেকেজিং আৰু ব্ৰেণ্ডিংৰ লগতে গুণমান নিয়ন্ত্ৰণ, মানদণ্ডকৰণ আৰু খাদ্য সুৰক্ষা মাপকাঠিৰ বাবে এক সমূহীয়া প্ৰচেষ্টা।




৮.২ বিপণন আৰু ব্ৰেণ্ডিংত সহায় কৰিবৰ বাবে এক নূন্যতম আয়তনৰ প্ৰয়োজন, যি কৃষি উৎপাদনকাৰী সংস্থা/আত্ম-সহায়ক গোট/সমবায় আদিৰ সক্ৰিয় অংশগ্ৰহণৰ দ্বাৰা উৎপাদন কৰিব পাৰি আৰু ইয়াৰ দ্বাৰা এক বৃহৎ সংখ্যক উৎপাদনকাৰীক একগোট কৰিব পাৰি। এই সংস্থাসমূহক তেওঁলোকে প্ৰকল্পৰ আৱশ্যকীয় বিৱৰণ উল্লেখ কৰি প্ৰস্তুত কৰা ডিপিআৰ.ৰ ভিত্তিত সহায় আগবঢ়োৱা হ'ব। ৰাজ্যিক ন'ডাল এজেন্সীয়ে এই ডি.পি.আৰ.সমমুহৰ ভিত্তিত বিপণন আৰু ব্ৰেণ্ডিংৰ বাবে ৫ লাখ টকা পৰ্যন্ত পুঁজি প্ৰদান কৰিব।


৮.৩ বিপণন আৰু ব্ৰেণ্ডিংৰ বাবে প্ৰদান কৰা সহায় নিৰ্দ্ধাৰিত সৰ্বোচ্চ সীমা অনুসৰি মুঠ ব্যয়ৰ ৫০% পৰ্যন্ত সীমিত হ'ব। ৰাজ্যিক বা ৰাষ্ট্ৰীয় স্তৰৰ প্ৰতিষ্ঠানসমূহ বা সংস্থা বা অংশীদাৰ আদিৰ পৰা ব্ৰেণ্ডিং আৰু বিপণনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱসমূহ ৰাষ্ট্ৰীয় স্তৰত আন উলম্ব সামগ্ৰীসমূহৰ বাবেও প্ৰযোজ্য হ'ব। এই আঁচনিৰ অধীনত খুচৰা বিক্ৰীৰ দোকান খুলিবৰ বাবে কোনো ধৰণৰ সহায় আগবঢ়োৱা নহ'ব।

**৮.৪ সাহায্য লাভ কৰিবৰ বাবে আবেদন কৰাৰ প্ৰক্ৰিয়া ঃ**

৮.৪.১ যদি আত্ম-সহায়ক গোট/কৃষি উৎপাদনকাৰী সংস্থা/ সমবায় আদিয়ে বা এচপিভি আদিয়ে এই আঁচনিৰ অধীনত ব্ৰেণ্ডিং আৰু বিপণনৰ বাবে সাহায্য লাভ কৰিবৰ বাবে আবেদন কৰাত আগ্ৰহী, তেন্তে তেওঁলোকে ডিপিআৰ প্ৰস্তুত কৰি ৰাজ্যিক ন'ডাল এজেন্সীৰ ওচৰত দাখিল কৰিব লাগিব। ৰাজ্যিক ন'ডাল এজেন্সীয়ে এই প্ৰস্তাৱসমূহৰ মূল্যায়ন কৰিব আৰু ৰাজ্যিক স্তৰৰ অনুমোদন সমিতিৰ পৰামৰ্শ অনুসৰি খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়ৰ পৰা অনুমোদন বিচাৰিব। সেইবাবে, এই প্ৰস্তাৱসমূহ এটা বেংকলৈ ঋণৰ অনুমোদনৰ বাবে পৰামৰ্শিত কৰা হ'ব। সামান্য আন্তঃগাঁথনি নিৰ্মাণত সহায়ৰ বাবে আবেদন কৰোঁতে এই একেটা প্ৰক্ৰিয়াকে অনুসৰণ কৰিব লাগিব।

## ৯. ক্ষমতা নিৰ্মাণ আৰু গৱেষণা

৯.১ কাৰিকৰী উন্নয়নৰ আৰু ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগৰ আনুষ্ঠানিকৰণত ক্ষেত্ৰত প্ৰশিক্ষণ এক আৱশ্যকীয় উপাদান। অনুদান লাভ কৰা সকলো ব্যক্তিগত আৰু প্ৰতিষ্ঠানিক সদস্যই প্ৰশিক্ষণ গ্ৰহণ কৰি তেওঁলোকৰ দক্ষতাসমূহ উন্নত কৰিব লাগিব। তাৰোপৰি, জিলাখনত থকা ODOP সামগ্ৰী উৎপাদন কৰা আন ব্যক্তিগত আৰু



দলীয় গোটসমূহক, ক্ৰেডিট লিংকড অনুদানৰ সহায় লাভ নকৰা সত্বেও, প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

৯.২ খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়ৰ অধীনৰ দুই ৰাষ্ট্ৰীয় স্তৰৰ খাদ্য প্ৰক্ৰিয়াকৰণ প্ৰতিষ্ঠান- ৰাষ্ট্ৰীয় খাদ্য প্ৰযুক্তি উদ্যমিতা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠান আৰু ভাৰতীয় খাদ্য প্ৰক্ৰিয়াকৰণ প্ৰযুক্তি প্ৰতিষ্ঠানক ক্ষমতা নিৰ্মাণ আৰু গৱেষণাৰ নেতৃত্ব গ্ৰহণ কৰাৰ দায়িত্ব প্ৰদান কৰা হৈছে। ৰাজ্যিক স্তৰত, তেওঁলোকে এখনি ৰাজ্যিক পৰ্যায়ৰ প্ৰযুক্তি প্ৰতিষ্ঠানৰ সৈতে অংশীদাৰিত্ব কৰিব যি ৰাজ্য চৰকাৰৰ দ্বাৰা ক্ষমতা নিৰ্মাণ আৰু প্ৰশিক্ষণৰ বাবে মনোনীত কৰা হ'ব।

৯.৩ ব্যক্তিগত আৰু দলীয় হিতাধিকাৰীক প্ৰদান কৰা প্ৰশিক্ষণে উদ্যমিতাৰ বিকাশ, উদ্যোগসমূহৰ কাৰ্যকলাপৰ অত্যাৱশ্যকীয় ক্ৰিয়া, গণনা, পঞ্জীয়ন, এফএসএসএআই মানদণ্ড, উদ্যোগ আধাৰ, জিএসটি পঞ্জীয়ন, সাধাৰণ স্বচ্ছতা, পেকেজিং, বিপণন আদি বিষয়ত গুৰুত্ব আৰোপ কৰিব। ODOP আৰু উলম্ব সামগ্ৰীসমূহৰ আৰ্হিত নিৰ্মিত বিশেষ প্ৰশিক্ষণ উদ্যোক্তাসকলৰ কৰ্মক্ষেত্ৰৰ ওচৰে-পাঁজৰে উপলব্ধ কৰা হ'ব। গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু আন জিলাভিত্তিক প্ৰতিষ্ঠানসমূহৰ বৰ্তমানে বিদ্যমান আন্তঃগাঁথনিসমূহ প্ৰশিক্ষণ প্ৰদান কৰিবৰ বাবে ব্যৱহাৰ কৰা হ'ব।


## ১০. অংশীদাৰ প্ৰতিষ্ঠানসমূহ

১০.১ এই আঁচনিয়ে অনুসুচিত জাতি/অনুসুচিত জনজাতি, মহিলা আৰু প্ৰত্যাশামূলক জিলাসমূহ, কৃষি উৎপাদনকাৰী সংস্থা, আত্ম-সহায়ক গোট আৰু উৎপাদনকাৰী সমবায়সমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। ট্ৰাইফেড, ৰাষ্ট্ৰীয় অনুসুচিত জাতি উন্নয়ন বিত্ত নিগম, এনচিডিচি, ক্ষুদ্ৰ কৃষক কৃষি-ব্যৱসায় সংঘ আৰু গ্ৰামীন উন্নয়ন মন্ত্ৰালয়ৰ অধীনৰ ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযান আদিয়ে এই অঞ্চলসমূহত কাম কৰি আছে। গোটসমূহৰ/অনুসুচিত জাতি, অনুসুচিত জনজাতিৰ পুঞ্জৰ, সমবায়, কৃষি উৎপাদনকাৰী সংস্থা আৰু আত্ম-সহায়ক গোটৰ চিনাক্তকৰণৰ সুবিধা প্ৰদান কৰি উপৰোক্ত প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ কাৰ্যাৱলীসমূহ একত্ৰিত কৰিব পাৰে আৰু এই প্ৰস্তাৱসমূহ ৰাজ্য চৰকাৰক সমৰ্পণ কৰিব পাৰে।



## ১১. ৰূপায়ণ আৰু নিৰীক্ষণ পদ্ধতি

১১.১ এই আঁচনিয়ে প্ৰভাৱশীল ৰূপায়ণ আৰু নিৰীক্ষণৰ বাবে কেন্দ্ৰীয়, ৰাজ্যিক আৰু জিলা ভিত্তিত নিম্নোক্ত ব্যৱস্থাপনা গাঁথনি হাতত ল'ব ঃ



১১.২ আন্তঃমন্ত্ৰণালয় ক্ষমতাশালী সমিতি ঃ কেন্দ্ৰীয় পৰ্যায়ত খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ বিভাগৰ মন্ত্ৰীয়ে আন্তঃমন্ত্ৰণালয় ক্ষমতাশালী সমিতিৰ অধ্যক্ষতা কৰিব, য'ত তেওঁ সাধাৰণ তত্বাৱধান, পথ-প্ৰদৰ্শন আৰু আঁচনিৰ ৰূপায়ণৰ বাবে সম্পূৰ্ণ নিৰ্দেশনা, বিকাশৰ পৰ্যবেক্ষণ আৰু আঁচনিৰ পুনৰালোচনা আদি দায়িত্ব পালন কৰিব। IMEC য়ে আঁচনিৰ নিৰ্দেশাৱলীসমূহ, আঁচনিখনৰ অধীনত ৰাজ্যখনৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰকল্প ৰূপায়ণ পৰিকল্পনা আৰু আত্ম-সহায়ক গোট/কৃষি উৎপাদনকাৰী সংস্থা/সমবায়ৰ মূলধন বিনিয়োগ কৰিবলগীয়া বিভিন্ন প্ৰকল্প, সামান্য আন্তঃগাঁথনিমূলক সুবিধা আৰু ১০ লাখ টকাৰ ওপৰৰ প্ৰকল্পৰ বিপণন আৰু ব্ৰেণ্ডিং আদি অনুমোদিত কৰিব। প্ৰশাসনীয় কাৰ্যাৱলী আৰু কাৰ্যকৰী পৰ্যায়ত আঁচনিৰ নিয়মীয়া পৰ্যবেক্ষণৰ বাবে খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়ত এখনি প্ৰকল্প কাৰ্যবাহী সমিতি গঠন কৰা হ'ব। খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়ক সহায় কৰিবৰ বাবে এখনি ৰাষ্ট্ৰীয় কাৰ্যক্ৰম ব্যৱস্থাপনা গোট গঠন কৰা হ'ব যিয়ে সচিবসংক্ৰান্তীয়, পৰিচালনাসংক্ৰান্তীয় আৰু ৰূপায়ণ সংক্ৰান্তীয় সহায় আগবঢ়াব।

১১.৩ ৰাজ্যিক স্তৰত ঃ ৰাজ্য চৰকাৰে এক ন'ডাল বিভাগ আৰু এজন ন'ডাল বিষয়া নিয়োগ কৰিব যিয়ে এই আঁচনিৰ ৰূপায়ণ চোৱা-চিতা কৰিব। এই আঁচনি ৰাজ্যিক পি.এম. ইউ.ৰ সহযোগিতাত ৰূপায়ণ কৰিব। এখনি ৰাজ্যিক পৰ্যায়ৰ মুখ্য সচিবৰ অধ্যক্ষতাত এক ৰাজ্যিক ন'ডাল সংস্থাই আঁচনিসমূহৰ ৰূপায়ণসমূহ নিৰীক্ষণ কৰিব। আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভত এই সমিতিয়ে ১০ লাখ টকা পৰ্যন্তৰ অনুদান অনুমোদিত কৰিব। জিলা উপায়ুক্তৰ অধ্যক্ষতাত এক জিলাভিত্তিক সমিতি গঠন কৰা হ'ব।

১১.৪ ৰাজ্যিক ন'ডাল এজেন্সীয়ে হিতাধিকাৰীসকলক পূৰ্ণ সহযোগ প্ৰদান কৰিবৰ বাবে জিলা স্তৰত সমল ব্যক্তিক নিয়োগ কৰিব। ডিপিআৰ প্ৰস্তুতকৰণ, বেংকৰ ঋণ গ্ৰহণ, প্ৰয়োজনীয় পঞ্জীকৰণত সহায় আৰু এফএসএসএআই খাদ্য মানদণ্ড, উদ্যোগ আধাৰ, জিএসটিৰ লাইচেন্স আদি লাভ কৰা আদি ক্ষেত্ৰত পূৰ্ণ সহযোগিতা প্ৰদান কৰা হ'ব।



## ১২. অধ্যয়ন আৰু প্ৰতিবেদন

১২.১ ৰাজ্য চৰকাৰে নিম্নলিখিত অধ্যয়নসমূহ হাতত ল'ব লাগে ঃ

i) **ভূমিস্তৰীয় মূল্যায়ণসমূহ ঃ** ODOP ৰ চিনাক্তকৰণৰ বাবে এক ভূমিস্তৰীয় মূল্যায়ণ সম্পন্ন কৰিব লাগে। এই অধ্যয়ন প্ৰতিখন ৰাজ্যতে ৩১ জুলাই ২০২০ৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগিব। এই অধ্যয়নৰ বাবে ৰাজ্যসমূহক ২.৫ ৰ পৰা ১০ লাখ টকাৰ অনুদান আগবঢ়োৱা হ'ব।

ii) **ৰাজ্যিক পৰ্যায়ৰ উন্নীতকৰণ পৰিকল্পনা ঃ** ODOPত এবাৰ এটা সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছত, জিলাখনত সেই সামগ্ৰীবিধৰ প্ৰক্ৰিয়াকৰণ, পাম স্তৰৰ কাৰ্যাৱলী, মুঠ আয়তন, উৎপাদিত সামগ্ৰীৰ মূল্য, প্ৰযুক্তি, পাম স্তৰৰ প্ৰক্ৰিয়াকৰণ, গুদাম, মালগুদাম আদিৰ সৈতে জড়িত গোটসমূহৰ সংখ্যা বৰ্ণনা কৰি ৰাজ্যসমূহত বিস্তৃত অধ্যয়ন সম্পাদন কৰিব লাগে। এই অধ্যয়ন ৩১ ডিচেম্বৰ, ২০২০ পৰ্যন্ত সম্পূৰ্ণ কৰিব লাগে। উক্ত অধ্যয়নৰ বাবে ৰাজ্যসমূহক প্ৰদান কৰিবলগীয়া ধনৰাশি হৈছে ২৫.০-৭৫.০ লাখ।

## ১৩. বিস্তৃত নিৰ্দেশাৱলী

উক্ত আঁচনিৰ বিস্তৃত নিৰ্দেশাৱলী মন্ত্ৰালয়ৰ ৱেবচাইট **mofpi.nic.in**ত উপলব্ধ।

सत्यमेव जयते

**খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ মন্ত্ৰালয়**

**ভাৰত চৰকাৰ**

**অনুসৰণ কৰক** MOFPIIndia MOFPI_GOI